জনসংযোগ, অসম প্ৰেছ বাৰ্তা নং ঃ ২২৫

## অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত

# দেউকণ সোঁৱৰণী আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা

**দিছপুৰ, ১৬ আগষ্ট ঃ** দেউকণ সোঁৱৰণী আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা (ল'ৰা) অহা ১৮ আগষ্টৰ পৰা ২২ আগষ্টলৈ অনুষ্ঠিত হ'ব। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত ১৭ বছৰৰ অনুৰ্দ্ধৰ এই প্ৰতিযোগিতাখন গুৱাহাটীৰ চাৰিটা স্থানত অনুষ্ঠিত কৰা হ'ব। এই স্থানকেইটা হ'ল ক্ৰমে জালুকবাৰীস্থিত এ পি আৰ অ' প্ৰশিক্ষণ বিদ্যালয় খেলপথাৰ, উলুবাৰীস্থিত নেহৰু ষ্টেডিয়ামৰ আৰ জে বৰুৱা ক্ৰীড়া প্ৰকল্প, সোণাপুৰস্থিত সোণাপুৰ ক্ৰীড়া সন্থা খেলপথাৰ আৰু বেতকুছিস্থিত ৰয়েল গ্ল'বৈল বিদ্যালয় খেলপথাৰ। প্ৰতিযোগিতাৰ খেলসমূহ পুৱা আৰু আবেলি দুয়োটা ভাগতে অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ৩৫ খন জিলাই অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে এই টুৰ্ণামেণ্টখনত চূড়ান্ত বিজয়ীৰ সন্মান দখল কৰিবলৈ সক্ষম হোৱা বিদ্যালয়ৰ দলটোৱে চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ৬১ সংখ্যক ১৭ বছৰ অনুৰ্দ্ধৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল টুৰ্ণামেণ্টত অসমক প্ৰতিনিধিত্ব কৰিব পাৰিব।

*এম আৰ ডি/পি কে ডি/১৬-০৮-২০২২*